**6 SEM TDC ASM M 3**

**2 0 1 8**

( May )

ASSAMESE

( Major )

Course : 603

**( অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ধ্বনিবিজ্ঞান, বৰ্ণবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ সংজ্ঞা দাঙি ধৰি এইকেইটাৰ মাজত থকা সম্পৰ্ক বিচাৰ কৰাঁ। ৬+৯=১৫

*অথবা*

(খ) চমুকৈ লিখাঁ : ৫×৩=১৫

(১) ধ্বনি আৰু বৰ্ণৰ সংজ্ঞা

(২) বাগিন্দ্ৰিয়ৰ পৰিচয়

(৩) সাংবহনিক ধ্বনিবিজ্ঞান বা তৰঙ্গ ধ্বনিবিজ্ঞান

২। যি কোনো এটাৰ বিষয়ে লিখাঁ : ৫

(ক) সুৰ আৰু প্ৰকাৰ

(খ) সমীভৱন আৰু ইয়াৰ প্ৰকাৰ

৩। (ক) অসমীয়া ভাষাৰ স্বৰবৰ্ণসমূহৰ ওঁঠৰ আকৃতি আৰু জিভাৰ অৱস্থান অনুসৰি এখন তালিকা প্ৰস্তুত কৰাঁ। প্ৰত্যেকৰে ধ্বনিগুণ বিচাৰ কৰি আদি অৱস্থানত বিৰোধ বিচাৰ কৰি দেখুওৱাঁ। ৫+৪+৫=১৪

*অথবা*

(খ) (১) অসমীয়া স্পৰ্শ-ব্যঞ্জনবৰ্ণকেইটাৰ পৰিচয় দাঙি ধৰাঁ। ৭

(২) শ্বাসাঘাত কাক বোলে? অসমীয়া শাব্দিক শ্বাসাঘাত সম্পৰ্কে লিখাঁ। ৭

৪। যি কোনো দুটাৰ উত্তৰ লিখাঁ : ৭×২=১৪

(ক) প্ৰাকৃতি আৰু উপাকৃতিৰ সম্পৰ্ক উদাহৰণৰ সৈতে বিচাৰ কৰাঁ।

(খ) গাঁথনিক দিশৰ পৰা প্ৰাকৃতিৰ শ্ৰেণীবিভাজন কৰি এইবোৰৰ বিষয়ে চমুকৈ লিখাঁ।

(গ) প্ৰকৃতি আৰু সৰ্গৰ পাৰ্থক্য বিচাৰ কৰাঁ।

৫। (ক) অসমীয়া ভাষাৰ কাৰক নিৰ্ণয়ৰ সকলো দিশ খৰচি-মাৰি আলোচনা কৰাঁ। ১২

*অথবা*

(খ) চমু টোকা লিখাঁ : ৪×৩=১২

(১) পুৰুষসূচক নিৰ্দিষ্টতাবাচক সৰ্গ

(২) মূলাভাস প্ৰাকৃতি

(৩) শব্দসাধনমূলক প্ৰত্যয়

৬। (ক) গঠন অনুসৰি অসমীয়া ভাষাৰ বাক্যক শ্ৰেণীবিভাজন কৰি এইবোৰৰ বিষয়ে উদাহৰণৰ সৈতে এটি বিশ্লেষণ দাঙি ধৰাঁ। ১৪

*অথবা*

(খ) চমুকৈ লিখাঁ : ৭×২=১৪

(১) খণ্ডবাক্য গঠনৰ নিয়মানুসৰি অসমীয়া বাক্যৰ বিশ্লেষণ

(২) বাক্যৰ ৰূপগত যোগ্যতা

৭। চমু উত্তৰ লিখাঁ : ১×৬=৬

(ক) *Assamese, its Formation and Development* গ্ৰন্থৰ অনুবাদকজনৰ নাম লিখাঁ।

(খ) অপিনিহিতিৰ এটি উদাহৰণ দিয়াঁ।

(গ) 'খেতিয়ক' শব্দটোত কেইটা আকৃতি আছে?

(ঘ) "পোকে খেতি নষ্ট কৰাত খেতিয়কজনে বৰ বেজাৰ পাইছে।" বাক্যটি কোন শ্ৰেণীৰ বাক্যৰ অন্তৰ্গত?

(ঙ) অসমীয়া ধ্বনিতত্ত্বৰ বিষয়ে আলোচনা কৰা প্ৰথমজন ধ্বনিতত্ত্ববিদৰ নাম লিখাঁ।

(চ) "১৯৫০ চনত ভূমিকম্প হৈছিল।" এই বাক্যটিত ব্যৱহৃত ক্ৰিয়াপদটোৱে কি কাল নিৰ্ণয় কৰিছে?

★★★